# বাৰ্তালোচনী

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান

ডিব্ৰুগড়, চাবুৱা

খণ্ড - ১, চেপ্তেম্বৰ, ২০১৯ চন




অ ন্ত ৰ্ভা গ ত

পৃষ্ঠা নং ২ ঃ অধ্যক্ষাৰ বুলনি আৰু বাৰ্তালোচনীৰ অলিন্দত সম্পাদকৰ কলম
পৃষ্ঠা নং ৩-৪ ঃ ৰূপালী জয়ন্তী সমাৰোহৰ এক আলোকপাত
পৃষ্ঠা নং ৫ ঃ বিদায় সভা আৰু নৱাগত আদৰণি সভাৰ ৰেঙণি
পৃষ্ঠা নং ৬ ঃ স্বচ্ছতা আৰু সৌন্দৰ্য নিৰ্মাণ
পৃষ্ঠা নং ৭ ঃ কৰ্তব্যৰ কল্লোল
পৃষ্ঠা নং ৮ ঃ আলোকচিত্ৰই কথা কয় আৰু সম্পাদনা সমিতি

## অধ্যক্ষাৰ বুলনি



ডিব্ৰুগড় জিলাৰ এই প্ৰতিষ্ঠানৰ পৰা প্ৰথম বাৰ্তালোচনী ২০১৩ চনৰ নৱেম্বৰত প্ৰকাশ কৰা হৈছিল। তেতিয়াৰ যুটীয়া সঞ্চালক শ্ৰীপ্ৰকাশ বৰুৱাদেৱে বাৰ্তালোচনীখনৰ মানদণ্ডৰ প্ৰশংসা কৰাৰ লগতে সন্তুষ্টি প্ৰকাশ কৰিছিল। অসমত ডায়েটৰ পৰা প্ৰকাশ কৰা প্ৰথমখন বাৰ্তালোচনী বুলি কয়। তাৰ পাছত কেইবাটাও সংখ্যা প্ৰকাশ হয়। বিগত বছৰ কেইটাত প্ৰকাশ অনিয়মীয়া হৈছিল যদিও এই সংখ্যাৰ পৰা নিয়মীয়াকৈ মাহেকীয়া ৰূপত প্ৰকাশ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এইক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰা হ'ল।

এই আলোচনীত আমাৰ কাৰ্যালয়ৰ বিভিন্ন কাম-কাজৰ লগতে প্ৰয়োজনীয় দুই এটা বিষয়ৰ ৰেঙনি দিবলৈ যত্ন কৰা হ'ব। সীমিত সম্পদেৰে আমাৰ কাৰ্যালয় সুচাৰুৰূপে পৰিচালনাৰ বাবে যত্ন কৰি অহা হৈছে। কিছুমান বিষয়ত বাহিৰৰ পৰা অতিথি প্ৰশিক্ষক আনিব লগীয়া হৈছে। বিশেষকৈ কলা, শাৰীৰিক শিক্ষা আৰু বিজ্ঞানৰ প্ৰবক্তাৰ অতি প্ৰয়োজন। অন্যহাতে কাৰ্যালয়ৰ কৰ্মচাৰীৰ ক্ষেত্ৰতো যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। তিনিজনকৈ সহকাৰী এই কাৰ্যালয়ত নিযুক্তি দিয়াৰ পাচতে সঞ্চালকালয়তে আছে। এই সম্পৰ্কত বহুবাৰ অনুৰোধ কৰা হৈছে যদিও গুৰুত্ব পোৱা নাই। পাঠ্যক্ৰম আৰু কাম-কাজৰ বাবে শ্ৰেণীকোঠা আৰু অন্যান্য সামগ্ৰীৰ বাবে আৰ্থিক অনাটনত ভুগিবলগীয়া হৈছে। গতিকে কৰ্তৃপক্ষৰ পৰা উপযুক্ত তদাৰকীৰ আশা কৰিছো যাতে আমাৰ পৰিৱেশ উন্নত কৰি তুলিব পাৰোঁ।

## বাৰ্তালোচনীৰ অলিন্দত সম্পাদকৰ কলম

### সৃষ্টিৰ অনন্ত উৎসৰ





সৃষ্টিৰ অনন্ত উৎসৰবোৰৰ সন্ধান কৰিলে তাৰ উৎস হিচাপে পামগৈ নদীৰ উপত্যকাবোৰ। উপত্যকাবোৰৰ ঐতিহ্য ইমানেই বৈশিষ্ট্যপূৰ্ণ যে বৰ্ণনা দি অন্ত কৰাৰ সাধ্য নাই। মানৱ সভ্যতা গঢ় লৈ উঠাৰ ক্ষেত্ৰত নদীয়ে লৈছিল মুখ্য ভূমিকা। নৈৰ পাৰবোৰক উপত্যকা বোলা হৈছে য'ত জাগ্ৰত হৈছে জীৱনৰ ৰং। নদী মানুহ আৰু উপত্যকাৰ সম্বন্ধ যে অনন্ত সেইকথা ইতিহাস ৰচনাৰ আগতেই প্ৰমাণ হৈছে।

নৈ মানেই অনন্ত জলসম্পদ। কিন্তু পানীৰ বিৰাট প্ৰয়োজননো কেনেকৈ আছিল তাৰ আছে অলিখিত ইতিহাস। আদিম মানুহৰ বাসস্থান আছিল প্ৰকাণ্ড গছৰ ধোন্দ, পৰ্বতৰ গুহা, গছৰ তল, আগবাঢ়ি থকা পাহাৰীয়া শিলৰ আগভাগ আদি। সেই সময়ত কেঁচা খাদ্য খাই জীৱনধাৰণ কৰা আদিম মানৱৰ বাবে পানীৰ উচিত ব্যৱহাৰ হৈছিল নে নহৈছিল সেই সম্পৰ্কে কোনেও ক'ব নোৱাৰে। কিন্তু জুইৰ আৱিষ্কাৰে সভ্যতাৰ ফেঁহুজালিক আমন্ত্ৰণ জনালে। শিলৰ সঁজুলি নিৰ্মাণে শৈলযুগ সূচনা কৰে। লাহে লাহে পশুপালন আৰু কৃষিকৰ্মই আদিম সভ্যতাৰ চলমান গতিক প্ৰতিপন্ন কৰিলে। তেতিয়াই আৰম্ভ হ'ল পদ্ধতিগত গ্ৰাম্য জীৱনৰ। পশুৰ বাবে, কৃষিৰ বাবে , প্ৰাণধাৰণৰ বাবে পানীৰ প্ৰয়োজন ইমানেই তীব্ৰ হ'ল যে এই কথাটোৱে মানুহক নতুনকৈ ভবাই তুলিলে। তেওঁলোকে দূৰলৈ দৃষ্টি প্ৰসাৰিত কৰিলে। চকুত ধৰা পৰিল প্ৰবাহমান নৈবোৰ। ক্ষীপ্ৰ গতিৰে সভ্যতাৰ আদি স্তৰৰ অভিযাত্ৰীয়ে নৈৰ পাৰলৈ ঢাপলি মেলিলে। সম্ভৱ হৈ উঠিল উপত্যকাই উপত্যকাই বসতিৰ নতুন যাত্ৰা। খবৰ পাওঁ যে নদীৰ তীৰে তীৰে গঢ়ি উঠিছিল প্ৰাচীন কালৰ নগৰীয়া সভ্যতা। তেনেহলে ভাবিব পাৰি যে তাহানিতেই মানুহৰ দ্বাৰাই পৰিৱেশ নিৰ্মাণ কৰিবলৈ শিকিলে। ইজিপ্তৰ নীল নদীৰ সভ্যতা আৰু উত্তৰ ভাৰতৰ সিন্ধু সভ্যতা ইয়াৰ জীৱন্ত উদাহৰণ।

কিছুমান পৰিৱেশ পানীৰ প্ৰয়োজনত নিৰ্মাণ হৈছিল। কাৰণ ভৌগলিক উপাদানেৰে জীৱিকাৰ সৈতে অনায়াসে জড়িত হৈ পৰে, ই স্বাভাৱিক প্ৰক্ৰিয়া। মানৱ সভ্যতাক চিৰ প্ৰবাহিত নৈৰ লগত তুলনা কৰিব পাৰি। কাৰণ দুয়োটাই চলমান। আকৌ সেই নৈয়েই আদিৰ পৰা আধুনিক কাললৈকে বিশ্বসভ্যতাক ত্বৰান্বিত কৰি আহিছে। তৃষ্ণা নিবাৰণৰ মুখ্য সম্পদ পানী সজীৱতাৰ প্ৰতীক। কৃষ্টি, সংস্কৃতি, কলা, সাহিত্য আদিৰ আধাৰত নৈবোৰে নৈৰ বুকুৰ জলাধাৰে পাতি আহিছে সৃষ্টিৰ অনন্ত উৎসৰ।

**বাৰ্তালোচনী সম্পৰ্কে ঃ**

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়ৰ পৰা বাৰ্তালোচনী প্ৰকাশৰ প্ৰস্তুতি চলোৱা হৈছিল। মাননীয় অধ্যক্ষা শ্ৰীযুতা ৰুণু গগৈ সোণোৱালৰ নেতৃত্বত এই কাম সম্ভৱ হৈ উঠে। তেখেতৰ লগতে প্ৰৱক্তা অনেকজনে পূৰ্ণ সঁহাৰি জনালে। অন্যহাতে প্ৰশিক্ষাৰ্থী সকলৰ অকুণ্ঠ সহযোগে এই কাম সহজ কৰি তুলে। সংশ্লিষ্ট সকলোলৈকে আমাৰ কৃতজ্ঞতাসূচক ধন্যবাদ জনাইছো।






১৯৯৪ চনৰ চৰ জুন তাৰিখৰ পৰা আৰম্ভ হৈছিল ডিব্রুগড়ৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সুদীৰ্ঘ যাত্ৰাৰ স্বপ্নিল প্ৰহৰ। সময়ে আগবঢ়াই দিয়া ৰূপালী প্ৰহৰত উদ্‌যাপন কৰা হ'ল ৰূপালী যজ্ঞ। বৰ্ষজোৰা কাৰ্যপৰিক্ৰমাৰ অন্তত তিনিটা দিনৰ (ইং ৩০, ৩১ মে' আৰু ১ জুন, ২০১৯) বৰ্ণাঢ্য কাৰ্যসূচী ৰূপায়িত কৰা হ'ল। কাৰ্যসূচীৰ সফলতাই প্ৰমাণ কৰিলে অনুষ্ঠানটোৰ অবিচলিত যাত্ৰা।

ৰূপালী জয়ন্তী সমাৰোহখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে প্ৰতিষ্ঠানৰ অধ্যক্ষা মহোদয়াক সভানেত্ৰী, প্ৰবক্তা ভূপেন কুমাৰ দাসক সম্পাদক, প্ৰবক্তা দুলেন চন্দ্ৰ গোহাঁই আৰু গাণনিক হেমচন্দ্ৰ হাজৰিকাক কাৰ্যকৰী সম্পাদক হিচাপে লৈ চৰ খন উপ-সমিতি গঠন কৰা হয়।

বৃক্ষৰোপণেৰে প্ৰথম দিনৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতেই সমাৰোহৰ মূল পতাকা উত্তোলনৰ পাছতে আৰু ২৫খন পতাকা উত্তোলন কৰা হয়। পৰৱৰ্তী কাৰ্যসূচীত ছহীদ তৰ্পন, গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰা উন্মোচন আৰু প্ৰাক্তন প্ৰশিক্ষাৰ্থীসকলৰ নাম পঞ্জীয়ন কৰা হয়। ইয়াৰ পাছত চাবুৱা ডি.ডি.আৰ. মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীযুত প্ৰফুল্ল গগৈৰ সঞ্চালনাত "শিশুৰ শিক্ষাত মাতৃভাষাৰ মাধ্যমৰ গুৰুত্ব" বিষয়ত এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচক হিচাপে অংশগ্ৰহণ কৰে আউনীআটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত যোগেশ কিশোৰ ফুকন আৰু টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন বিষয় শিক্ষয়িত্ৰী শ্ৰীযুতা সোণমাই বৰুৱাই। সন্ধিয়া চৰাইদেউ জিলাৰ ৰাজহ বিভাগৰ উপ-পঞ্জীয়ক শ্ৰীযুত তিলেন্দ্ৰ সোণোৱালৰ দ্বাৰা সাংস্কৃতিক মঞ্চ উদ্বোধনৰ পাছত বিজয়কৃষ্ণ গোস্বামীৰ নেতৃত্বত সত্ৰীয়া কৃষ্টি প্ৰদৰ্শন আৰু প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা 'কুৱালাশ্ব উপাখ্যান উজানক দৈত্য বধ' ভাওনা প্ৰদৰ্শন কৰা হয়।








পুৱা ১০.০০ বজাৰ পৰা দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ হয়। 'মূল্যবোধ শিক্ষাৰ গুৰুত্ব, শিক্ষক আৰু অভিভাৱকৰ কৰ্তব্য' শীৰ্ষক আলোচনা চক্ৰত ড° জয়কৃষ্ণ মহন্ত, ডাঃ সৌৰভ বুঢ়াগোহাঁই, শ্ৰীযুতা জুৰী বৰা বৰগোহাঁইৰ পৰা এক মনোজ্ঞ আলোচনাচক্ৰ উপভোগ কৰে। ডায়েটৰ অধ্যক্ষাৰ সঞ্চালনত প্ৰবক্তা, কৰ্মচাৰী আৰু প্ৰাক্তন প্ৰশিক্ষাৰ্থীৰ অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পাছতেই 'ৰূপোৱালী' নামৰ স্মৃতিগ্ৰন্থখন ড° নিৰ্মলা শৰ্মাই উন্মোচন কৰে। পৰৱৰ্তী কাৰ্যসূচীত প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই 'শিক্ষা, সাম্প্ৰতিক সময় আৰু গণ সংযোগ মাধ্যম' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। নিশা প্ৰশিক্ষাৰ্থীৰ দ্বাৰা নৃত্য নাটিকা প্ৰদৰ্শন হৈছিল। ড° দিগন্ত দত্তৰ পৰিচালনাত প্ৰশিক্ষাৰ্থীসকলে 'জয়মতী' শীৰ্ষক নাটকখন নতুন শৈলীৰে প্ৰদৰ্শন কৰে।



১ জুন তাৰিখে পুৱা ৯.০০ বজাত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা সুকলমে অনুষ্ঠিত হয়। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত ড° প্ৰাঞ্জল বৰগোহাঁইৰ সঞ্চালনাত 'বিদ্যালয়ৰ গুণগত মান উন্নয়নত শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ গুৰুত্ব আৰু ভূমিকা' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচক হিচাপে উপস্থিত থাকে ড° লক্ষীনাৰায়ণ সোণোৱাল আৰু ড° অমৰ উপাধ্যায়। ইয়াৰ পিছতে চাবুৱাৰ বিশিষ্ট নাগৰিক শ্ৰীযুত নিৰেণ ৰাজখোৱা, শ্ৰীযুত কিৰণ গগৈ, শ্ৰীযুত ভক্তি বৰগোহাঁই আৰু শ্ৰীযুত যতীন নেওগক সম্বৰ্ধনা জনোৱা হয়। শ্ৰীযুত প্ৰবীণ শইকীয়াৰ পৰিচালনাত প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা চম্পাৱতীৰ সাধুৰ আধাৰত এখনি নাটক প্ৰদৰ্শন কৰা হয়। জনপ্ৰিয় গায়িকা অৰুন্ধতী বেজবৰুৱাৰ গীতৰ শৰাইৰ পিছতে ৰূপালী জয়ন্তী সমাৰোহৰ কাৰ্যসূচীৰ অন্ত পৰে।



অনুষ্ঠানটোৰ ২৫ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষ্যত ৰূপালী জয়ন্তীৰ সমূহ কাৰ্যসূচীৰ এয়া এক ক্ষুদ্ৰ খতিয়ান।

## "কোনে কাক বিদায় জনাব পাৰে ..."

পুৰাতনক বিদায় জনাই নতুনক আদৰা সময়ৰ সহজাত নিয়ম। সাধাৰণতে শিক্ষা প্ৰতিষ্ঠান সমূহত প্ৰতি বছৰেই পুৰাতন ছাত্ৰ-ছাত্ৰীক বিদায় জনাই নৱাগতক আদৰা হয়। ইয়াৰ অৰ্থ এইয়া নহয় যে পুৰাতনসকলক হৃদয়ৰ পৰা বা সেই প্ৰতিষ্ঠানটোৰ পৰা আঁতৰাই দিয়া হয়। কাৰণ এটা নিৰ্দিষ্ট বছৰৰ সময়ছোৱাত শিক্ষা দান আৰু গ্ৰহণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু প্ৰতিষ্ঠানটোৰ মাজত নিজৰ ঘৰখনৰ দৰে এটা আত্মিক সম্পৰ্ক গঢ় লৈ উঠে। সেয়েহে কোনোবাই কৈ গৈছে "কোনে কাক বিদায় জনাব পাৰে? বুকুত খোদিত যাৰ সঠিক ঠিকনা।" গতিকে এনে সম্পৰ্কৰ বান্ধোনৰ পৰা মানুহক চিৰ জীৱনৰ বাবে জানো বিদায় দিয়া সম্ভৱ? মাথো আগুৱাই যাবলৈ সাহস আৰু উৎসাহ প্ৰদান কৰাহে এনে সভাৰ উদ্দেশ্য। ঠিক একেদৰে আদৰণি সভাৰ জৰিয়তে আগন্তুক বাটত খোজ দিবৰ বাবে উৎসাহ, উদ্দীপনা আৰু শুভেচ্ছা জনোৱা হয়। এই দুয়োটা অনুষ্ঠানেই ভালপোৱা ভাৰক সুদৃঢ় কৰি তোলে।






বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দৰে সময়ৰ আদেশ মানি ডিব্ৰুগড় ডায়েটতো ইং ৫ জুলাই, ২০১৯ তাৰিখে বি.এড. আৰু ডি.এল.এড. চতুৰ্থ ষান্মাসিকৰ প্ৰশিক্ষাৰ্থীসকলক আগন্তুক জীৱনৰ বাটত সততা আৰু সাহসেৰে আগুৱাই যাবলৈ উৎসাহ প্ৰদানৰ উদ্দেশ্যে এখনি বিদায় সভা আয়োজন কৰা হয়।

ঠিক একেদৰে ডি.এল.এড. আৰু বি.এড. প্ৰথম ষান্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলক আদৰাৰ বাবে ইংৰাজী ৯ আগষ্ট, ২০১৯ তাৰিখে নৱাগত আদৰণি সভাৰ আয়োজন কৰা হয়। উক্ত সভাত ন প্ৰশিক্ষাৰ্থী সকলে কবিতা পাঠ, নৃত্য, গীত পৰিৱেশনেৰে নিজ নিজ প্ৰতিভা প্ৰকাশ কৰে। উক্ত অনুষ্ঠানটিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাধ্যাপক ড° প্ৰবীন কুমাৰ গগৈ উপস্থিত থাকি তত্ত্বগধুৰ ভাষণেৰে উপস্থিত সকলোকে উৎসাহিত কৰে।









# স্বচ্ছতা আৰু সৌন্দৰ্য নিৰ্মাণ




স্বচ্ছতাই সৌন্দৰ্যতাৰ পৰিচয় দিয়ে। পৰিৱেশ সৌন্দৰ্যময় কৰি ৰাখিবলৈ হ'লে স্বচ্ছতাৰ অতি প্ৰয়োজন। স্বচ্ছতা আঁচনিৰ মূল উদ্দেশ্য হৈছে পৰিৱেশ সুৰক্ষিত কৰি ব্যক্তিৰ সু-স্বাস্থ্য বজাই ৰখা। পৰিৱেশৰ প্ৰতি সজাগতা বৃদ্ধি, সৌন্দৰ্যবৰ্দ্ধন আৰু স্বাস্থ্যৰ প্ৰতি সজাগতা আনিবৰ উদ্দেশ্যে প্ৰতিষ্ঠানত আগষ্ট মাহৰ ১৭ তাৰিখৰ পৰা স্বচ্ছতা অভিযান চলোৱা হয়। লগতে প্ৰতিষ্ঠানৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে বাগিছা পতাৰ কাৰ্যসূচীও হাতত লোৱা হয়। অৱশ্যে প্ৰতিদিনাই চাফ-চিকুন কৰা কাৰ্য নিত্য-নৈমিত্তিক।

এই উদ্দেশ্যক সফলভাৱে ৰূপায়িত কৰিবলৈ প্ৰশিক্ষাৰ্থী সকলে হাতত ঝাডু লৈ প্ৰতিষ্ঠানৰ ভিতৰে-বাহিৰে থকা জাবৰ-জোথৰবোৰ সাৰি পেলোৱাৰ লগতে নলা নৰ্দমাবোৰ পৰিষ্কাৰ কৰে। ইয়াৰ ফলত পৰিৱেশটো পৰিষ্কাৰ হৈ পৰাৰ লগতে আকৰ্ষণীও হৈ পৰে।

সেইদৰে প্ৰশিক্ষাৰ্থীসকলৰ সহায়ত বাগিছা পতাৰ কাৰ্যসূচীও আৰম্ভ কৰা হয়। সকলোকে একোটা দল বনাই নিজাকৈ এডোখৰ এলেকাত বিভিন্ন ধৰণৰ ফুল, ঔষধীজাতীয় গছপুলি ৰোপণ তথা পানী, সাৰ যোগান ধৰাৰ দায়িত্ব প্ৰশিক্ষাৰ্থীসকলক নিজে ল'বলৈ দিয়া হয়। এনেদৰেই এই দুয়োটা অভিযান সুকলমে সম্পন্ন হয়।

স্বচ্ছতা আৰু বাগিছা পতাৰ কাৰ্যসূচীয়ে শিক্ষক-প্ৰশিক্ষাৰ্থী উভয়কে উপকৃত কৰিবলৈ সক্ষম হ'ল। সুন্দৰ বাতাবৰণে প্ৰশিক্ষাৰ্থীসকলক পঢ়াৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলাৰ লগতে তেওঁলোকক সু-স্বাস্থ্যৰ অধিকাৰী কৰি তুলিব।









(১) ইণ্ডিগ' প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাত মে' মাহৰ শেষৰ ফালে 'শ্ৰীৰাম ফাউণ্ডেছন'ৰ পৰিচালক সুৰেশ ৰেড্ডী আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া শ্ৰীহেমচন্দ্ৰ শইকীয়াৰ মাজত লাহোৱাল ব্লকৰ ১৫ খন বিদ্যালয়ৰ উন্নয়নৰ বাবে চুক্তি স্বাক্ষৰ হয়। ইয়াৰ বিভিন্ন কাম-কাজত ডায়েটো জড়িত হৈ আছে। এই সম্পৰ্কত আলোচনা কৰিবলৈ প্ৰকল্প প্ৰবন্ধক অনুপম গগৈ আৰু প্ৰকল্প পৰিচালক গুলজাৰ হুছেইন ডায়েটত উপস্থিত হৈছিল।

(২) সঞ্চালকালয়ত ন-প্ৰবক্তাৰ প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ - স্বপ্নালী বৰুৱা আৰু দীপামণি ফুকন।

(৩) সৰ্বশিক্ষা মিছনৰ দ্বাৰা নিমন্ত্ৰিত বিভিন্ন কাম-কাজত অংশগ্ৰহণ - হেমন্ত কুমাৰ দত্ত আৰু জুৰি নেওগ।

(৪) নিয়মীয়া বাৰ্তাত শিক্ষা সম্পৰ্কীয় নিবন্ধ প্ৰকাশ -

ভূপেন কুমাৰ দাস ঃ

অসমীয়াত বানান ভুল কৰাৰ কাৰণ।

শিক্ষাৰ্থীৰ জীৱনত ভাল হাতৰ আখৰৰ গুৰুত্ব।

ৰুণু গগৈ সোণোৱাল ঃ

মানসিক উদ্বেগৰ বোজা।

(৫) স্থায়ী স্মাৰ্ট ক্লাচৰ ব্যৱস্থা।

(৬) সমগ্ৰ কেম্পাচত ৱাইফাইৰ ব্যৱস্থা।

(৭) উপস্থিতি পঞ্জীয়নৰ বাবে বায়'মেট্ৰিক মেছিন স্থাপন।

(৮) 'এইমাহৰ অতিথি' শীৰ্ষক বিশেষ অনুষ্ঠানৰ - আগষ্ট মাহৰ আমন্ত্ৰিত অতিথি ড° প্ৰদ্যুম্ন গোস্বামী।








By Arpana Gogoi
My wish is to stay always like this,
living quietly in a corner of nature
(D.El.Ed. 3rd Semester)



By Parishmita Gogoi
প্ৰকৃতিৰ গগন চুম্বনৰ এইয়া এক বিস্তৃত সংগম
(D.El.Ed. 3rd Semester)



By Mrinal Gogoi
Venus to the earth
(D.El.Ed. 3rd Semester)



By Nitumoni Gogoi
নৈ পৰীয়া সপোন
(D.El.Ed. 1st Semester)



By Bismita Gogoi
আঘোণৰ পথাৰৰ মেটমৰা ভাৰ
(D.El.Ed. 1st Semester)



By Sonal Jaiswal
Golden hour of twilight
(D.El.Ed. 1st Semester)

**শৈক্ষিক বিষয়াসকল**

ৰুণু গগৈ সোণোৱাল, অধ্যক্ষা
ভূপেন কুমাৰ দাস, প্ৰবক্তা
দুলেন চন্দ্ৰ গোহাঁই, প্ৰবক্তা
মলয় বৰুৱা, প্ৰবক্তা
হেমন্ত কুমাৰ দত্ত, প্ৰবক্তা
জুৰি নেওগ, প্ৰবক্তা
স্বপ্নালী বৰুৱা, প্ৰবক্তা
দীপামণি ফুকন, প্ৰবক্তা
ৰঞ্জন বৰা, প্ৰবক্তা
স্বৰাজ ফুকন, প্ৰবক্তা
নিপামণি টায়ে, প্ৰবক্তা
ৰক্তিম ডেকা, অতিথি প্ৰশিক্ষক
ধ্ৰুৱজ্যোতি গোহাঁই, অতিথি প্ৰশিক্ষক
মনোজ কেওঁট, অতিথি প্ৰশিক্ষক

**প্ৰতিষ্ঠানত কৰ্মৰত কাৰ্যালয়ৰ কৰ্মচাৰীসকল**

হেমচন্দ্ৰ হাজৰিকা, গাণনিক
লাচিত দিহিঙীয়া, পৰিসংখ্যাৰ সহায়ক
শেৱালি কাকতি, গ্ৰন্থাগাৰিক
সৰল কুমাৰ দাস, কাৰিকৰী সহায়ক
স্মৃতিৰেখা চেতিয়া, কৰ্ম শিক্ষাৰ শিক্ষক
লাৱণ্য ফুকন, উচ্চবৰ্গ সহায়ক
বিশ্বেশ্বৰ কুমাৰ, উচ্চবৰ্গ সহায়ক
পৰমানন্দ কোঁৱৰ, বিজ্ঞানাগাৰ সহায়ক
নীলমণি টেৰণ, নিম্নবৰ্গ সহায়ক
পল্লৱী খনিকৰ, নিম্নবৰ্গ সহায়ক
পূৰ্ণকান্ত হাজৰিকা, চতুৰ্থবৰ্গ কৰ্মচাৰী
গিৰিণ সেনাপতি, চতুৰ্থবৰ্গ কৰ্মচাৰী
বেদান্ত গগৈ, চতুৰ্থবৰ্গ কৰ্মচাৰী
যিচুৰাজ দাস, চতুৰ্থবৰ্গ কৰ্মচাৰী

**স ম্পা দ না   স মি তি**

সভানেত্ৰী ঃ ৰুণু গগৈ সোণোৱাল, অধ্যক্ষা
উপ-সভাপতি ঃ ভূপেন কুমাৰ দাস, প্ৰবক্তা
সম্পাদক ঃ স্বৰাজ ফুকন, প্ৰবক্তা
প্ৰশিক্ষাৰ্থী সদস্য ঃ আকাশ দেৱনাথ, চুইটী বৰা, গুণীন সন্দিকৈ, পৰিস্মিতা গগৈ, জিনি মনি কোচ
অংগ-সজ্জা ঃ অভিজিৎ বৰা (কটন বিশ্ববিদ্যালয়)